**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-04-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

00000

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে পৰ্টুগাল আৰু শ্লোভাকিয়া ভ্ৰমণৰ উদ্দেশ্যে লিছবনলৈ ৰাওনা হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তামিলনাডুত এখন সমুদ্ৰ দলং মুকলি আৰু এটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

৩। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি ৰাজস্থানৰ কোটপুতলী-বেহৰৰ জিলাৰ পাওতাত এটা ধৰ্মীয় অনুষ্ঠানত অংশগ্ৰহণ কৰে।

৪। ভূঁইকপ বিধ্বস্ত ম্যানমাৰত হোৱা প্ৰবল বৰষুণৰ ফলত সাহায্য অভিযানত জটিলতা অহাৰ লগতে বিভিন্ন ৰোগৰ প্ৰাদুৰ্ভাৱৰ আশংকা বৃদ্ধি পাইছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত খন্তেক পাছতে গুজৰাট টাইটানছ্, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

00000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে পৰ্টুগাল আৰু শ্লোভাকিয়া ভ্ৰমণৰ উদ্দেশ্যে লিছবনলৈ ৰাওনা হৈছে। পৰ্টুগাল ভ্ৰমণকালত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে তেওঁৰ প্ৰতিপক্ষ ৰাষ্ট্ৰপতি মাৰ্ছেলো ৰেবেলো ডি ছুচাক সাক্ষাৎ কৰিব আৰু প্ৰতিনিধি পৰ্য্যায়ৰ আলোচনাত মিলিত হ'ব। শ্ৰীমতী মুৰ্মুৰে পৰ্টুগালৰ প্ৰধানমন্ত্ৰী লুইচ মণ্টেগ্ৰো আৰু নেচনেল এছেম্বলিৰ অধ্যক্ষ জোছ্ পেড্ৰ' অগুইৰ ব্ৰেংকোক সাক্ষাৎ কৰিব।

শ্লোভাকিয়া ভ্ৰমণকালত ৰাষ্ট্ৰপতি মুৰ্মুৰে দেশখনৰ ৰাষ্ট্ৰপতি পিটাৰ  পেলেগ্ৰিণি আৰু প্ৰধানমন্ত্ৰী ৰবাৰ্ট ফিকোৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

এইবছৰ ভাৰত আৰু পৰ্টুগালৰ মাজত কূটনৈতিক সম্পৰ্কৰ পুনৰ স্থাপনৰ ৫০ বছৰ পূৰ্তি উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে দেশখন ভ্ৰমণ কৰিব। ২৭ বছৰ পাছত এয়া হ'ব এগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতিৰ পৰ্টুগাল ভ্ৰমণ। ভাৰত আৰু পৰ্টুগালে বিগত বহু বছৰ ধৰি ঐতিহাসিক আৰু বন্ধুত্বপূৰ্ণ দ্বিপাক্ষিক সম্পৰ্ক ৰক্ষা কৰি

আহিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰ এই ভ্ৰমণে পৰ্টুগালৰ সৈতে ভাৰতৰ সম্পৰ্ক অধিক উন্নত কৰিব বুলি আশা কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ শ্লোভাকিয়া ভ্ৰমণে ভাৰত আৰু শ্লোভাকিয়াৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ লগতে সম্প্ৰসাৰিত কৰিব। পৰ্টুগাল আৰু শ্লোভাকিয়া ভ্ৰমণৰ জৰিয়তে ইউৰোপীয় সংঘৰ সৈতে ভাৰতৰ সম্পৰ্ক শক্তিশালী হ'ব বুলিও আশা কৰা হৈছে।

ooooo

দেশৰ চাৰিওটা কোণ সংযুক্ত কৰাৰ অৰ্থে বিগত ১০ বছৰত চৰকাৰে আন্তঃগাঁথনি শক্তিশালী কৰাৰ উদ্দেশ্যে প্ৰয়াস চলাই অহা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। তামিলনাডুত এখন সমুদ্ৰ দলং মুকলি আৰু ৮ হাজাৰ ৩০০ কোটি টকা ব্যয় সাপেক্ষ এটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি, শ্ৰীমোদীয়ে কয়, যে তামিলনাডুৰ উন্নয়নে দেশৰ উন্নয়নৰ যাত্ৰাত অৰিহণা আগবঢ়াইছে। এই প্ৰকল্পসমূহ জনসাধাৰণলৈ ৰাম নৱমীৰ উপহাৰ বুলিও তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত কয়, যে ভূতপূৰ্ব ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালামৰ ৰামেশ্বৰমত জন্ম হৈছিল আৰু তেওঁৰ জীৱন বিজ্ঞান আৰু আধ্যাত্মিকতাৰ সৈতে সম্পৃক্ত হৈ আছিল। শ্ৰীমোদীয়ে প্ৰাচীন তামিল সংস্কৃতি আৰু ভাষাৰ গুৰুত্ব সন্দৰ্ভতো বক্তব্য আগবঢ়াই কয়, যে পামবন দলং হৈছে প্ৰযুক্তি আৰু পৰম্পৰাৰ উজ্জ্বল উদাহৰণ। শ্ৰীমোদীয়ে কয়, যে প্ৰাচীন ৰামেশ্বৰম মন্দিৰত পূজা-অৰ্চনা আগবঢ়োৱাৰ লগতে আজিৰ দিনটোতে প্ৰকল্পটো ৰাইজৰ নামত উচৰ্গা কৰিব পৰাটো এটা পৰম গৌৰৱৰ মুহূৰ্ত।

আজি মুকলি কৰা সমুদ্ৰ দলংখন বিংশ শতিকাৰ আশ্বৰ্য্য বুলি অভিহিত কৰি শ্ৰীমোদীয়ে ইয়াৰ নিৰ্মাণ কাৰ্য্যৰ সৈতে জড়িত অভিযন্তাসকলক শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয়, যে এই দলঙে ব্যৱসায়, বাণিজ্য, পৰ্য্যটনৰ বিকাশৰ লগতে কৰ্ম-সংস্থাপনৰো সৃষ্টি কৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে বিগত ১০ বছৰত চৰকাৰে লাভ কৰা বিভিন্ন সফলতাৰ বিষয়েও উল্লেখ কৰে। শ্ৰীমোদীয়ে পূব আৰু পশ্চিম ভাৰত ক'ৰিডৰৰ লগতে বন্দে ভাৰত, অমৃত ভাৰত, নমো ভাৰত ৰে'ল সেৱাৰ বিষয়েও প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয়, যে চৰকাৰৰ প্ৰচেষ্টাৰ ফলতেই শ্ৰীলংকাৰ কাৰাগাৰৰ পৰা বিগত ১০ বছৰত ৩ হাজাৰ ৭০০ গৰাকী মাছমৰীয়াক মুকলি কৰি আনিবলৈ সক্ষম হৈছে।

ooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি ৰাজস্থানৰ কোটপুতলী-বেহৰৰ জিলাৰ পাওতাত এটা ধৰ্মীয় অনুষ্ঠানত অংশগ্ৰহণ কৰে। তেওঁ বাবড়িৰ তপোস্থলীৰ যোগী বাব বালনাথে আয়োজন কৰা ১০৮ বছৰীয়া কুণ্ডিয়া ৰুদ্ৰ মহা মৃত্যুঞ্জয় মহাযজ্ঞত অংশগ্ৰহণ কৰে। শ্ৰীশ্বাহে সনাতন ধৰ্ম সন্মিলনত অংশগ্ৰহণ কৰি জনসাধাৰণক উদ্দেশ্যি ভাষণ দিয়ে। তেওঁ কয়, যে বাবা বালনাথে জনসাধাৰণৰ কল্যাণ, পশু-পক্ষীৰ সেৱা, পৰিৱেশ ৰক্ষা আৰু সামাজিক সম্প্ৰীতিৰ বাবে কাম কৰিছিল আৰু তেওঁৰ অনুগামীসকলে এই কাৰ্য্যক আগুৱাই নিছে। শ্ৰীশ্বাহে কয়, যে নাথ সম্প্ৰদায়ে সনাতন ধৰ্ম শক্তিশালী কৰাৰ বাবে কাম কৰি আহিছে।

পৰম্পৰা আৰু আধ্যাত্মিকতাৰ এই ধৰ্মীয় উৎসৱ উদযাপনৰ বাবে ৰাজস্থানকে ধৰি বিভিন্ন প্ৰান্তৰ পৰা ভক্তিপ্ৰাণ ৰাইজৰ আগমণ হৈছিল। ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাই সমাৰেশত ভাষণ দিয়ে। কেন্দ্ৰীয় মন্ত্ৰী

ভূপেন্দ্ৰ যাদৱ, জয়পুৰ গ্ৰামীণ ক্ষেত্ৰৰ সাংসদ ৰাও ৰাজেন্দ্ৰ আৰু কেইবাগৰাকীও বিধায়কে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০০

দেশৰ বিভিন্ন অংশত আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে ৰাম নৱমী উদযাপন কৰা হৈছে। এই উৎসৱ ভগৱান বিষ্ণুৰ সপ্তম অৱতাৰ শ্ৰী ৰামচন্দ্ৰৰ জন্মদিনৰ লগত সংগতি ৰাখি হিন্দু ধৰ্মাৱলম্বী লোকসকলে উদযাপন কৰি আহিছে। অযোধ্যাত উলহ-মালহেৰে ৰাম নৱমী উদযাপন কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাম নৱমী উপলক্ষে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তাযোগে কয়, যে ভগৱান ৰামৰ জীৱনে সত্য, ধৰ্ম আৰু ন্যায়ৰ পথ অনুসৰণ কৰাৰ অনুপ্ৰেৰণা দিয়ে।

০০০০০

ভূঁইকপ বিধ্বস্ত ম্যানমাৰৰ কিছু অংশত হোৱা প্ৰৱল বৰষুণৰ ফলত সাহায্য অভিযানত জটিলতা অহাৰ লগতে বিভিন্ন ৰোগৰ প্ৰাদুৰ্ভাৱৰ আশংকা বৃদ্ধি পাইছে। যোৱা ২৮ মাৰ্চত ৰিখটাৰ স্কেলত ৭ দশমিক ৭ প্ৰাৱল্যত হোৱা ভূমিকম্পত দেশখনত এতিয়ালৈকে ৩ হাজাৰ ৪৭১ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ৪ হাজাৰ ৬০০ গৰাকী লোক আঘাতপ্ৰাপ্ত হৈছে আৰু ২১৪ গৰাকী বৰ্তমানলৈকে নিৰুদ্দেশ হৈ আছে। ভূমিকম্পটোৰ অভিকেন্দ্ৰৰ সমীপৰ মান্দালয়ত হোৱা বৰষুণ আৰু প্ৰচণ্ড ধুমুহাই আশ্ৰয় শিবিৰসমূহৰ যথেষ্ট ক্ষতিসাধন কৰিছে। ইয়াৰ ফলত কলেৰা আৰু অন্যান্য ৰোগসমূহ বৃদ্ধি পোৱাৰো আশংকা কৰা হৈছে। আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে,  ভাৰত আৰু অন্য দেশৰ উদ্ধাৰকাৰী দলে সাহায্য অভিযানত সক্ৰীয়ভাৱে সহযোগিতা আগবঢ়াই আছে। ভাৰতে ব্ৰহ্মা অভিযানৰ অধীনত শনিবাৰে ম্যানমাৰলৈ অতিৰিক্ত ৪৪২ টন খাদ্য সামগ্ৰী প্ৰেৰণ কৰিছে। সামগ্ৰীখিনি কঢ়িয়াই অনা ভাৰতীয় নৌ সেনাৰ ঘৰিয়াল নামৰ জাহাজখন থিলাৱা বন্দৰত উপস্থিত হৈছে আৰু ম্যানমাৰত থকা ভাৰতীয় ৰাষ্ট্ৰদূত অভয় ঠাকুৰে য়াংগুনৰ মুখ্যমন্ত্ৰী য়ু ছোই থিনক সামগ্ৰীখিনি আনুষ্ঠানিকভাৱে প্ৰদান কৰিছে।

০০০০০

ইজৰাইলত হাজাৰ হাজাৰ জনতাই প্ৰতিবাদ অব্যাহত ৰাখিছে। গাজাত থকা পণবন্দীসকলৰ মুক্তিৰ বাবে চৰকাৰক হামাছৰ সৈতে আলোচনা কৰিবলৈ ইজৰাইলী লোকসকলে আহ্বান জনাইছে। যোৱা ১৮ মাৰ্চৰ পৰা পুনৰ আৰম্ভ হোৱা ইজৰাইলী সামৰিক অভিযানে পণবন্দীসকলক বিপদত পেলাব পাৰে বুলি ইজৰাইলী লোকসকলে উদ্বেগ প্ৰকা কৰিছে। গাজাৰ স্বাস্থ্য খণ্ডই যোৱা ২৪ ঘণ্টাত ৬০ গৰাকী লোকৰ মৃত্যু হোৱা বুলি প্ৰকাশ কৰিছে। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে কাইলৈ হোৱাইট হাউচ ভ্ৰমণ কৰাৰ সম্ভাৱনা আছে, য'ত আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ সৈতে গাজাৰ যুদ্ধবিৰতিৰ কথাই প্ৰাধান্য পাব বুলি আশা কৰা হৈছে।

০০০০০

পঞ্জাৱৰ ফতেহগড় চাহিবত জ্যেষ্ঠ কৃষক নেতা জগজিৎ সিং দালেৱালে আজি তেওঁৰ অনশন ভংগ কৰে। যদিও তেওঁ অনশন ভংগ কৰিছে, নতুন উদ্যমেৰে কৃষক আন্দোলনক নেতৃত্ব প্ৰদান কৰি যাব বুলি তেওঁ ঘোষণা কৰিছে। কৃষকসকলৰ দাবীসমূহ পূৰণ কৰিবলৈ তথা ন্যূনতম সমৰ্থন মূল্যৰ আইনী নিশ্চয়তা প্ৰদান কৰাৰ দাবীত যোৱা নৱেম্বৰ মাহৰ পৰা কৃষক নেতাগৰাকী অনশনত বহিছিল।

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি সামাজিক মাধ্যমৰ বাৰ্তাযোগে দালেৱালক অনশন ভংগ কৰিবলৈ আহ্বান জনাইছিল। তেওঁ লগতে কৈছে, যে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি আৰু কৃষক সংগঠনৰ মাজত আলোচনা চলি আছে। অহা ৪ মে'ত তেওঁলোক পূৰ্ব নিৰ্ধাৰিত বৈঠকত মিলিত হোৱাৰ কথা বুলিও মন্ত্ৰী চৌহানে জনাইছে। কেন্দ্ৰীয় ৰে'ল আৰু খাদ্য প্ৰসংস্কৰণ মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী ৰণবিৎ সিং বিট্টুৱেও কৃষক নেতাগৰাকীক অনশন ভংগ কৰিবলৈ আহ্বান জনাইছিল।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ্, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন খন্তেক পাছতে আৰম্ভ হ'ব। গুজৰাটে বৰ্তমানলৈকে খেলা তিনিখন খেলৰ দুখনত জয়লাভ কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ তৃতীয় স্থানত আছে। হায়দৰাবাদে ৪ খন খেলৰ ভিতৰত এখন খেলত জয়লাভ কৰি পইণ্ট তালিকাৰ একেবাৰে শেষত আছে।

ৰাজস্থান ৰয়েলছে যোৱা নিশা চণ্ডীগড়ত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছক ৫০ ৰাণত পৰাস্ত কৰে। খেলখনত ৰাজস্থান ৰয়েলছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৪টা উইকেট হেৰুৱাই ২০৫ ৰাণ কৰে। ৰাজস্থানৰ হৈ যশস্বী জয়ছোৱালে ৬৭ ৰাণৰ বৰঙণি আগবঢ়ায় আৰু ৰিয়ান পৰাগে ৪৩ ৰান কৰি আউট নোহোৱাকৈ থাকে। পাঞ্জাবৰ লাকী ফাৰ্গুছনে ২টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত পাঞ্জাব কিংছে ২০ অভাৰত ৯ টা উইকেট হেৰুৱাই ১৫৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। পাঞ্জাব কিংছৰ হৈ নেহল ৱাধেৰাই ৬২ ৰান কৰে। ৰাজস্থানৰ হৈ জোফ্ৰা আৰ্ছাৰে ৩টা উইকেট লাভ কৰে। আৰ্ছাৰক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত কালি অনুষ্ঠিত আন এখন খেলত দেলহী কেপিটেলছে-চেন্নাই চুপাৰ কিংছক ২৫ ৰাণত পৰাস্ত কৰে। চেন্নাই চুপাৰ কিংছে ১৮৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ২০ অ'ভাৰত ৫ উইকেটৰ বিনিময়ত ১৫৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ আগেয়ে দেলহী কেপিটেলছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অ'ভাৰত ৬ টা উইকেট হেৰুৱাই ১৮৩ ৰান সংগ্ৰহ কৰে।

০০০০০

সমাপ্ত